# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-12-2025

**Time :** 1715 Hrs.

***Assamese Midday Bulletin***

## HEADLINE

ooooo

১। রাজ্যৰ ১৪ খন জিলাৰ আয়ুক্তৰ সাল-সলনি। স্বপনীল পালক কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ দায়িত্ব অৰ্পণ।

২। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো উলহ-মালহেৰে পবিত্ৰ বৰদিন উদযাপন।

৩। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰলৈ ২০২৫ বৰ্ষৰ **শ্ৰোতা প্ৰেৰণা বঁটা**।

**আৰু**

৪। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জয়ন্তী আজি দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো বিভিন্ন কাৰ্যসূচীৰে পালন ।

ooooo

ৰাজ্যৰ ১৪ খন জিলাৰ আয়ুক্তৰ সাল-সলনি কৰা হৈছে। সেই অনুসৰি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত চাট্টাৰনক তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে আৰু তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালক কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আৰণ্যক শইকীয়াক কাৰ্বি আংলঙৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে। শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গক কাছাৰলৈ আৰু কাছাৰৰ জিলা আয়ুক্ত মৃদুল যাদৱক শিৱসাগৰলৈ বদলি কৰা হৈছে। একেদৰে, ধুবুৰীৰ জিলা আয়ুক্ত দিবাকৰ নাথক বঙাইগাঁৱলৈ আৰু বঙাইগাঁৱৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকক ধুবুৰীৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তক কাৰাগাৰৰ মহাপৰিদৰ্শক হিচাপে দায়িত্ব দিয়া হৈছে। ইপিনে, দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিক গোলাঘাটৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীক কোকৰাঝাৰৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। কোকৰাঝাৰৰ জিলা আয়ুক্ত মাচান্দা মাগদালিন পাৰ্টিনক বিত্ত বিভাগৰ যুটীয়া আয়ুক্ত হিচাপে বদলি কৰা হৈছে। একেদৰে, পৰিৱেশ আৰু বন বিভাগৰ যুটীয়া আয়ুক্ত ছিমি কৰণক তামুলপুৰৰ আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে।

ooooo

আজি পৱিত্ৰ বৰদিন। এই উপলক্ষে বিশ্বৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ গীৰ্জাসমূহত অগণন লোকৰ সমাগম পৰিলক্ষিত হয়। আজি পুৱাৰ ভাগত বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা, আলোচনা সভা আদি অনুষ্ঠিত হয়। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ

বাসগৃহসমূহ সজাই তোলা হয়। খ্ৰীষ্টধৰ্মী লোকসকলে কালি মাজনিশাৰে পৰা পৱিত্ৰ বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা কৰে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্টিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক’, খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠে।

উত্তৰ-পূব ভাৰতৰ প্ৰথম গীৰ্জা ঘৰ হিচাপে পৰিচিত শিৱসাগৰ জিলাৰ ব্যাপ্টিষ্ট মণ্ডলীৰ গীৰ্জাঘৰত বৰদিনৰ আয়োজন কৰা হয়। বৰপুখুৰীৰ পাৰত অৱস্থিত এই গীৰ্জাঘৰত শিৱসাগৰ জিলাৰ খ্ৰীষ্টীয় সমাজে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰভাৱে শোকাহত হৈ বৰদিন উদযাপন নকৰাৰ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত অনুসৰি বৰদিন উপলক্ষে এই বছৰ শিৱসাগৰ খ্ৰীষ্টীয় সমাজে আলোকসজ্জা, প্ৰীতিভোজ আৰু অন্যান্য কাৰ্যসূচী বাতিল কৰে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিন পালন কৰা হয়। তদুপৰি অসম-মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালন কৰে।

চিৰাং জিলাৰ গীৰ্জাঘৰসমূহত বৰদিন উপলক্ষে উলহ-মালহ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। জিলাখনৰ চাপাগুৰি, বেংতল, বামুণগাঁও, টুক্ৰাঝাৰ, বাসুগাঁও, বল্লামগুৰি আদি স্থানৰ গীৰ্জাঘৰসমূহত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে সমূহীয়া প্ৰাৰ্থনা কৰে।

বৰদিন উপলক্ষে উত্তৰ-পূবৰ অনান্য ৰাজ্যকেইখন বিশেষকৈ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰী আটক ধুনীয়াকৈ সজাই তোলা পৰিলক্ষিত হয়। প্ৰায় এসপ্তাহ পূৰ্বৰে পৰা নগৰখনত বৰদিনক লৈ ব্যস্ততা বিৰাজমান হৈছে। কালি সন্ধিয়াৰে পৰা বৰদিনৰ প্ৰাৰ্থনাৰ বাবে শ্বিলঙৰ গীৰ্জাঘৰলৈ বহু লোকৰ আগমন হয়। বৰদিনৰ আনন্দ উপভোগৰ বাবে শ্বিলঙলৈ দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমনো পৰিলক্ষিত হয়।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পবিত্ৰ বৰদিন উপলক্ষে ৰাজ্যৰ সকলো জনসাধাৰণ বিশেষকৈ খ্ৰীষ্টধৰ্মী লোকসকলক ওলগ জনাই  কয়, যে যীশুখ্ৰীষ্টৰ জন্মদিন উপলক্ষে আয়োজিত এই উৎসৱে আমাক দয়া, কৰুণা আৰু নিস্বাৰ্থ সেৱাৰ অমূল্য - প্ৰমূল্যৰাজিৰ বিষয়ে সোঁৱৰাই দিয়ে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বৰদিন উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে প্ৰভু যীশুৰ আশীৰ্বাদে সমাজৰ পৰা অপশক্তি নাশ কৰি শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ব বোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ’ শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হয়। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হয়।

**বাইট**

২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণক আগবঢ়োৱা হয়। মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত অনুষ্ঠিত অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হয়। বঁটাত এটাকৈ ৰেডিঅ' ছেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হয়। চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদুম কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিত শইকীয়াৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰত ৰত্নৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ আজি ১০১ সংখ্যক জয়ন্তী। দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীৰ জীৱন আৰু কৃতিৰ ওপৰত আধাৰিত এখন আলোকচিত্ৰ প্ৰদৰ্শনীতো ভাগ লয়।

কাছাৰ জিলাতো প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়সহ বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অটল বিহাৰী বাজপেয়ীৰ জন্মবাৰ্ষিকী উপলক্ষে দিল্লীত থকা তেওঁৰ সমাধি সদৈৱ অটলত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

ooooo

হোজাই জিলাৰ লংকাত শিখ ধৰ্মীয় লোকসকলৰ বাবা ফতেহ সিং সেৱা দলৰ উদ্যোগত সপ্তাহজোৰা কাৰ্য্যসূচীৰে গুৰুকা লংগৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ২১ ডিচেম্বৰৰ পৰা ২৭ ডিচেম্বৰলৈ অনুষ্ঠিত এই অনুষ্ঠানত জিলাখনৰ শিখ ধৰ্মাৱলম্বী লোকসকলে একগোট হৈ লংগৰৰ আয়োজন কৰিছিল। উল্লেখযোগ্য যে, শিখ ধৰ্মীয় গুৰু গোবিন্দ সিঙৰ চাৰিজন পুত্ৰ ডিচেম্বৰ মাহতে ধৰ্ম ৰক্ষাৰ স্বাৰ্থত ছহিদ হৈছিল। এই বিষয়ে জনাইছে বাবা ফতেহ সিং সেৱা দলৰ সভাপতি দলজিৎ সিং সিদ্ধই -

-বাইট-

ooooo

কামৰূপ জিলাৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত সমগ্ৰ কামৰূপ জিলাত প্ৰযোজ্য হোৱাকৈ বনভোজ খোৱাৰ নিয়মসমূহত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি, সন্ধিয়া ৫ বজাৰ পাছত জিলাখনৰ বনভোজ থলীসমূহত বনভোজ খোৱা বা আন ভোজৰ উদ্দেশ্যে নাগৰিক সমবেত হোৱা, বনভোজ থলী অথবা নদী ঘাট আৰু আশে পাশে অজৈৱ প্লাষ্টিক তথা তেনেধৰণৰ

সামগ্ৰী পেলোৱা, বনভোজ স্থলীত উচ্চস্তৰত সংগীত পৰিৱেশন কৰা, ৰাজহুৱা অনুভাষ যন্ত্ৰৰ ব্যৱহাৰ, মাদক দ্ৰব্যৰ বিক্ৰী, ক্ৰয় অথবা সেৱন আৰু চৌদিশৰ এলেকাত আৱৰ্জনা পেলোৱাত বাধা আৰোপ কৰা হৈছে।

ooooo

সমাপ্ত